দেওবৰীয়া
# দৈনিক জনমভূমি
portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi
বছৰ, সংখ্যা ৬৯ ● দেওবাৰ ● ২৯ কাতি ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Sunday November 16, 2025 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট, গুৱাহাটী আৰু বঙাইগাঁৱৰ

ধাৰ দেশৰ ছয়খন বিশিষ্ট শিক্ষানুষ্ঠানৰ ১৩ পিঠিলৈ

## জয়ন্তী পালন
## লোকক সম্বৰ্ধনা

ৱস উদ্বোধন কৰি তেওঁ কয়, 'বীৰচা মুণ্ডা মগ্ৰ ভাৰতবৰ্ষৰ জনজাতীয় লোকসকলৰ তৃ স্বৰূপ। তেওঁৰ বীৰত্ব আৰু ত্যাগে কেৱল নজাতিসকল বুলিয়ে নহয়, সমগ্ৰ ভাৰতীয়কে নুপ্ৰাণিত কৰি আহিছে। তেওঁ ৭ পিঠিলৈ

## ইচ'ত গৱেষণা
## ৰাষ্ট্ৰীয় কৰ্মশালা

অসম চিকিৎসা মহাবিদ্যালয় আৰু হস্পিটেল ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ ৰ সহযোগত চিকিৎসালয়খনৰ অইল লেকচাৰ গৱেষণাৰ নীতি-নৈতিকতা, গৱেষণা পদ্ধতি স্থ্য গৱেষকসকল' শীৰ্ষক এখন ৰাষ্ট্ৰীয় কৰ্মশালা ভাৰতৰ বিভিন্ন স্থানৰ এশগৰাকীৰো অধিক তকোত্তৰ ছাত্ৰ-ছাত্ৰী, ইণ্টাৰ্নী আৰু গৱেষকে াৰম্ভণিতে আদৰণী ভাষণ ৭ পিঠিলৈ

### কানৈ মহাবিদ্যালয়ত মৈত্ৰীবন্ধন অনুষ্ঠান
# বিহু নাচৰ তালে তালে নাচিলে কোৰিয়ান সাহিত্যিকে



ডিব্ৰুগড় ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ১৫ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ অধীনৰ শক্তিশালী উপ-সমিতি ৰূপে ইতিমধ্যে খ্যাতি অৰ্জা আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি, কানৈ মহাবিদ্যালয়ৰ শতদল শাখা সাহিত্য সভা, কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, স্বেচ্ছাসেৱী অনুষ্ঠান 'ছীল'ৰ উদ্যোগত এক বৰ্ণাঢ্য সাংস্কৃতিক আৰু শৈক্ষিক বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। ১৪ নৱেম্বৰৰ সন্ধ্যা অনুষ্ঠিত এই কাৰ্যসূচীত দক্ষিণ কোৰিয়াৰ প্ৰথিতযশা লেখক, সাহিত্যিক, কবি, অনুবাদক, ছবি সমালোচক, দক্ষিণ কোৰিয়াৰ অনেক জনপ্ৰিয় বঁটা, সন্মানেৰে বিভূষিত চিয়ক ইয়ং চাং; অসমৰ জ্যেষ্ঠ সাংবাদিক, লেখক, কবি, কথাছবি সমালোচক মনোজ বৰপূজাৰী, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ ১৩ পিঠিলৈ




ফে চবুক

াই
ুনত
অনা

৮ নৱেম্বৰ
ন শিবিৰ
জুবিন গা

ক ৰিপ'ৰ্টাৰ, ১
াৰনী বস্ত্ৰ অস
াগুন অভিমুখে
নলৈ যাত্ৰা কৰা
ষ্ট্ৰীয় বিমান বন্দৰ

Amu
lway

